দৈনিক অগ্ৰদূত 22 নৱেম্বৰ '৭৭

## বাণিজ্য শিক্ষাৰ আলোচনা চক্ৰত মন্ত্ৰী বড়ো

# একবিংশত নিযুক্তিৰ বজাৰ মুকলি থাকিব বাণিজ্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবেহে

গুৱাহাটী, ২১ নৱেম্বৰ ঃ যোৱা ১১ নৱেম্বৰত স্থানীয় জিলা পুথিভঁৰালত কে টি দাস কমাৰ্চ কলেজৰ উদ্যোগত 'কমাৰ্চ এডুকেশ্যন এণ্ড জব মাৰ্কেট' শীৰ্ষক এখনি মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰখনি উদ্বোধন কৰে অসমৰ শিক্ষামন্ত্ৰী থানেশ্বৰ বড়োৱে। বাণিজ্য শিক্ষাৰ ছাত্ৰ-ছাত্ৰীৰ নিযুক্তিৰ সম্ভাবনাপূৰ্ণ এটি বিষয়ক লৈ আয়োজন কৰা আলোচনা চক্ৰখনিক শিক্ষামন্ত্ৰীয়ে এক ব্যতিক্ৰম পদক্ষেপ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত এই ক্ষেত্ৰত প্ৰথম প্ৰয়াস বুলি অভিহিত কৰে। একবিংশ শতিকাত আমাৰ ৰাজ্যখনত কেৱল মাত্ৰ বাণিজ্য শিক্ষাৰ ছাত্ৰ-ছাত্ৰীৰ নিযুক্তিৰ বজাৰখনহে মুকলি থাকিব বুলি তেওঁ মত পোষণ কৰে। গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ উমেশ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অভ্যাগতসকলক আদৰণি জনায় মহাবিদ্যালয়ৰ অধ্যক্ষ হিতেশ ডেকাই।

আলোচনা চক্ৰৰ প্ৰথম অধিবেশনখন গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভগৱান চন্দ্ৰ লহকৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক তথা বাণিজ্য গুৰু ড° সুজিত সিকিদাৰে মূল ভাষণ প্ৰদান কৰে। তেওঁ বাণিজ্য শিক্ষাৰ সম্ভাৱনীয়তা আৰু ই সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ ওপৰত বিশদ বিশ্লেষণাত্মক বক্তৃতা আগবঢ়ায়। প্ৰথম অধিবেশনত গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ ড° প্ৰণৱ কুমাৰ ভট্টাচাৰ্য দেৱপ্ৰসাদ হাজৰিকা (গুৱাহাটী), জয়শ্ৰী ডামপাল চৌধাৰী (কে চি দাস কমাৰ্চ কলেজ) আৰু ড° ধৰণীধৰ মালী আদিয়ে গৱেষণা পত্ৰ পাঠ কৰে।

আলোচনা চক্ৰৰ দ্বিতীয় অধিবেশনখনৰ সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ড° দেৱদাস ভৰালীয়ে। এই অধিবেশনত ড° নয়ন বৰুৱা আৰু অপৰাজিতা বৰকটকী (গুঃ বি), গৌৰগোপাল বণিক (গুঃ বাঃ মঃ), ড° আৰ বৰবৰা (ডি এইচ এছ কে কঃ ডিব্ৰুগড়), বিজয় কলিতা আৰু ৰুণুমী লহকৰ (কে চি দাস কমাৰ্চ কলেজ) আদিয়ে গৱেষণা পত্ৰ পাঠ কৰে। সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ, বাণিজ্য গুৰু ড° অনিল কুমাৰ শৰ্মাই।